# গাজা আৰু ইজৰাইলত সংঘটিত হিংসাত্মক কাৰ্য্যকলাপ বৃদ্ধি হোৱা সম্পৰ্কে সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত আনুষ্ঠানিক মুখপাত্ৰ গৰাকীৰ মন্তব্য ।

জুলাই ১০,২০১৪

শেহতীয়া ভাৱে গাজা আৰু ইজৰাইলত বৃদ্ধি হোৱা হিংসাত্মক কাৰ্য্যকলাপ সম্বন্ধে সোধা সাংবাদিকৰ অক প্ৰশ্নৰ সহাৰি জনাি আনুষ্ঠানিক মুখপাত্ৰ গৰাকীয়ে কয় যে :

“ ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত ক্ষীপ্ৰতাৰে বাঢ়ি যোৱা হিংসাত্মক কাৰ্য্যকলাপৰ বাবে ,বিশেষকৈ –গাজাত আকাশমাৰ্গত সংঘটিত প্ৰৱল আক্ৰমনৰ ফলত নিৰিহ নাগৰিকৰ জীৱনৰ লগতে গুৰুতৰ ভাৱে সা-সম্পত্তিৰহানি হোৱা ঘটনাৰ বাবে ভাৰত অতি চিন্তাগ্ৰস্ত হৈছে ।একে সময়তে

ইজৰাইলৰ কেতবোৰ এলেকাত সীমান্তৰ সীপাৰৰ পৰা ৰকেট পক্ষেপ কৰি কৰা আক্ৰমনৰ দ্বাৰা উত্তেজিত কৰা সম্পৰ্কে সচকিত হৈছে ।

দুয়োপক্ষকে ভাৰতে যিমান পাৰি সিমান ধৈৰ্য্য ধৰিবলৈ আৰু পাছলৈ পৰিস্থিতি অতি শোচনীয় হোৱাৰ আশংকা আৰু শান্তি আৰু সুৰক্ষাৰ প্ৰতি ভাবুকীৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে আৰু সেয়ে দুয়ো পক্ষকে যিমান পাৰি সিমান ধৈৰ্য্য ধৰিবৈ আৰু আক্ৰমন কৰাৰ পৰা আতৰত থাকিবলৈ আহ্বান ভাৰতে আহ্বান জনাই ।

ভাৰতে দৃঢ়ভাৱে বিশ্বাস কৰে যে মাথো আলোচনাই হে একমাত্ৰ বিকল্প ব্যৱস্থা আৰু ইয়াৰ জৰিয়তেহে অঞ্চলটোৰ আৰু ইয়াৰ জনসাধাৰনৰ সক্ৰিয় ভাৱে সকলো সমস্যাৰ সমাধান বিচাৰি পোৱা সম্ভৱ ।আমি পেলেষ্টাইন সমস্যাৰ সম্প্ৰসাৰিত ভাৱে সমাধানৰ অৰ্থে  দুয়োপক্ষই গ্ৰহন কৰা চৰ্ত

অনুসৰি অতি সোনকালে প্ৰতক্ষ্য ভাৱে আলোচনাত মিলিত হবলৈ দুয়োপক্ষকে  আহ্বান জনাও ।”

নতুন দিল্লী

জুলাই ১০,২০১৪